**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ বিৰুদ্ধে নিৰাপত্তা বিষয়ত মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ প্ৰতি সৰ্বদলীয় বৈঠক নিচৰ্ত সমৰ্থন।

২। আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহত মুঠ ৩ হাজাৰ ৭৪১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান।

৩। ৰাজ্যত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ তুংগত।

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ অধীনত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা হোৱাৰ সম্ভাৱনা আছে বুলি কেইবাটাও সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি পৰিষদৰ অস্বীকাৰ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বেংগালুৰুত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৰ ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত।

০০০০০০০

পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত পাকিস্তানৰ বিৰুদ্ধে নিৰাপত্তা বিষয়ত মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ প্ৰতি ৰাজনৈতিক দলৰ নেতাসকলে সমৰ্থন আগবঢ়াইছে। এই বৰ্বৰ আক্ৰমণৰ ঘটনাৰ পাছত কালি নতুন দিল্লীত চৰকাৰে আহ্বান জনোৱা সৰ্বদলীয় বৈঠকত নেতাসকলে সন্ত্ৰাসবাদ বিৰোধী যুঁজ আৰু এই ক্ষেত্ৰত গ্ৰহণ কৰা যিকোনো ধৰণৰ পদক্ষেপৰ প্ৰতি সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰো আশ্বাস দিয়ে।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে এই আক্ৰমণৰ ঘটনাত সকলো দলে উদ্বেগ প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পহলগামত সংঘটিত ঘটনা আৰু এইক্ষেত্ৰত ভাৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে সবিশেষ দাঙি ধৰে। এইক্ষেত্ৰত অধিক কঠোৰ পদক্ষেপ গ্ৰহণৰ বাবে ভাৰতে সিদ্ধান্ত গ্ৰহণ কৰিছে বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে চোৰাংচোৱা সংস্থা আৰু গৃহ মন্ত্ৰালয়ৰ বিষয়াসকলে এই ঘটনাৰ লগতে এই ক্ষেত্ৰত বৈ যোৱা সুৰুঙা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়ে কয়, যে পহলগাম সন্ত্ৰাসবাদী আক্ৰমণক সকলোৱে একেমুখে গৰিহণা দিছে আৰু এইক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সকলো ধৰণৰ পদক্ষেপৰ প্ৰতি বিৰোধীৰ সম্পূৰ্ণ সমৰ্থন আছে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে সকলো দলেই এই ঘটনাক গৰিহণা দিছে আৰু জম্মু-কাশ্মীৰত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত। ডি এম কেৰ সাংসদ তিৰুচি শিৱাইও এই ঘটনাৰ নিন্দা কৰি দেশত সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি তেওঁৰ দলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰে।

বিজেপিৰ সাংসদ সম্বিত পাত্ৰই এই বৰ্বৰ ঘটনাত জড়িত সন্ত্ৰাসবাদীসকলক শীঘ্ৰেই কঠোৰ শাস্তি প্ৰদানৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰে।

এ আই এম আই এমৰ সাংসদ আছাদউদ্দিন ওৱেইছিয়ে এই ঘটনাটো কেৱল এটা ৰাজনৈতিক বিষয়েই নহয় বুলি মন্তব্য কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা যিকোনো সিদ্ধান্তৰ প্ৰতি তেওঁৰ সম্পূৰ্ণ সমৰ্থন আছে। দুঘণ্টাজোৰা এই বৈঠকত ১৫টা বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে অংশগ্ৰহণ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড$^{0}$ এছ জয়শংকৰ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাকে ধৰি ৰাজনৈতিক দলসমূহৰ জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰে। বৈঠকত পহলগাম সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই দুই মিনিট মৌন প্ৰাৰ্থনা কৰা হয়।

০০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামত পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীয়ে কৰা নৃশংস আক্ৰমণত ডিব্ৰুগড়ৰ সামাজিক অনুষ্ঠান চেণ্টাৰ ফ'ৰ ইছলামিক ষ্টাডিজে বিৰোধিতা কৰিছে। সভাপতি চেহিৰ আহমদ আৰু সম্পাদক এম হাছিম আলীয়ে এনে দুষ্কাৰ্যক কঠোৰ ভাষাৰে গৰিহণা

দিয়াৰ লগতে নিৰিহ লোকসকলৰ দুখ-যন্ত্ৰণাত সহমৰ্মিতা প্ৰকাশ কৰিছে। ইছলামিক ষ্টাডিজে মৃতকসকলৰ বিদেহ আত্মাৰ শান্তি কামনা কৰাৰ লগতে দোষীক উপযুক্ত শাস্তি বিহিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

ইপিনে, পহলগামৰ ঘটনাক তিনিচুকীয়া জিলাৰ ডুমডুমা চেম্বাৰ্ছ অব কমাৰ্ছেও তীব্ৰ গৰিহণা দিছে। আক্ৰমণত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনাই আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰি ডুমডুমা ছেম্বাৰ্ছ অব কমাৰ্চৰ সভাপতিয়ে কালি এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁ এই ঘটনাৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকলক কঠোৰ হাতেৰে দমন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক দাবী জনায়।

০০০০০০০

পেহেলগামৰ সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ স্মৃতিত কালি তিনিচুকীয়া জিলাৰ ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজহুৱা শ্ৰদ্ধা তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত ডুমডুমাৰ বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে এই বৰ্বৰ ঘটনাত জড়িত লোকসকল যাতে কোনো কাৰণতে সাৰি নাযায়, তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ প্ৰতি দাবী জনায়। তেওঁলোকে লগতে পাকিস্তান আৰু বাংলাদেশৰ সৈতে থকা ভাৰতৰ সীমান্ত কটকটীয়াভাবে চীল কৰাৰো দাবী জনায়।

০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত অৰুণাচল প্ৰদেশৰ জিৰো চহৰৰ ভাৰতীয় বায়ুসেনাৰ বিষয়া কৰ্পৰেল টাগে হেইলিয়াঙৰ নশ্বৰ দেহ কালি তেওঁৰ গৃহ চহৰলৈ অনা হয়। শ্বহীদগৰাকীৰ নশ্বৰদেহ প্ৰথমে বায়ুসেনা বাহিনীৰ বিমান যোগে গুৱাহাটীলৈ অনা হয় আৰু তাৰপৰা এম্বুলেঞ্চ যোগে জিৰোৰ টাজাং জিলালৈ লৈ যোৱা হয়। প্ৰয়াত টাগেৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাবলৈ তেওঁৰ বাসগৃহত সহস্ৰাধিক লোক উপস্থিত হয়। মুখ্যমন্ত্ৰী শ্ৰীখান্দুৱে মৃত টাগে হেইলিয়াঙৰ পৰিয়ালৰ এগৰাকী লোকক চৰকাৰী চাকৰি দিয়াৰ লগতে ৫০ লাখ টকাৰ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে। প্ৰয়াত টাগেৰ ওপজা গাঁৱত তেওঁৰ স্মৃতিত এটা স্মাৰক নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাত্ৰিংশ দীক্ষান্ত সমাৰোহ আজি অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়ৰ খেলপথাৰৰ সমাৱৰ্তন হ'লত বিয়লি ৩ বজাত আয়োজিত এই অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সভাপতিত্ব কৰি যোৱা বছৰকেইটাত বিশ্ববিদ্যালয়খনৰ পৰা পি এইচ ডি, এম ফিল, স্নাতকোত্তৰ আৰু স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ডিগ্ৰী প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড$^{O}$ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই অনুষ্ঠানত সন্মানিত অতিথি আৰু বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আজিৰ এই দীক্ষান্ত সমাৰোহত উত্তৰ-পূৰ্বাঞ্চলৰ সবাতোকৈ পুৰণি এই বিশ্ববিদ্যালয়খনে তিনিগৰাকী কৃতবিদ্য ব্যক্তিক সন্মানীয় ডিগ্ৰী প্ৰদান কৰিব। এই সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয় –

-বাইট-

উল্লেখযোগ্য যে পূৰ্বৰ কাৰ্যসূচী অনুসৰি বিশ্ববিদ্যালয়খনৰ এইবাৰৰ দীক্ষান্ত সমাৰোহত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ কথা আছিল যদিও পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিৰ এই কাৰ্যসূচী বাতিল কৰা হয়।

০০০০০০০

ৰাজ্যত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। কালি গোলাঘাটৰ বৰজাং চাহবাগিচা খেলপথাৰত কংগ্ৰেছৰ হৈ দলীয় সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেওঁ পহলগামৰ ঘটনাক গৰিহণা দিয়াৰ লগতে এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে ল'বলগীয়া সকলো পদক্ষেপতে কংগ্ৰেছ দলে সমৰ্থন আগবঢ়াব বুলি প্ৰকাশ কৰে। তেওঁ মুখ্যমন্ত্ৰী ড$^{O}$ হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰাৰ লগতে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনত ধনবল, বাহুবল প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয় –

(বাইট)

০০০০০০০

পঞ্চায়ত নিৰ্বাচন উপলক্ষে তিনিচুকীয়া জিলাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদে প্ৰচাৰ অভিযান পূৰ্ণগতিত চলাই আছে। বিজেপিৰ জিলা সভাপতি কুশকান্ত বৰাই জিলাখনৰ বিভিন্ন ঠাইত প্ৰচাৰ চলাই জনসাধাৰণৰ মন আকৰ্ষণৰ প্ৰয়াস অব্যাহত ৰাখে। কংগ্ৰেছ দলেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। দলৰ নেতা গৌৰৱ গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈকে আদিকে ধৰি বিভিন্ন নেতা সদস্যই নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰে। জিলাখনত এইবাৰ ৰাইজৰ দল, অসম জাতীয় পৰিষদৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ দ্বিতীয় মণ্ডলৰ অধীনত অনুষ্ঠিত এই বছৰৰ উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফল আজি অথবা এইকেইদিনত ঘোষণা হোৱাৰ সম্ভাৱনা আছে বুলি কেইবাটাও সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰি পৰিষদে অস্বীকাৰ কৰিছে। পৰিষদৰ দ্বিতীয় মণ্ডলৰ পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন কুমাৰ দাসে আমাৰ বিশেষ সংবাদদাতাক ক্ষন্তেক সময়ৰ আগতে জনোৱা অনুসৰি এই পৰীক্ষাৰ ফলাফলৰ চূড়ান্ত পৰ্যায়ৰ পৰীক্ষণ কাৰ্য বৰ্তমান চলি আছে আৰু কেতবোৰ সংবাদ মাধ্যমত এই সম্পৰ্কত প্ৰকাশিত বাতৰি শুদ্ধ নহয়। পৰীক্ষাৰ্থী আৰু অভিভাৱকসকলক এনেধৰণৰ অকৰ্তৃত্বশীল বাতৰিৰ প্ৰতি কাণ নিদিবলৈ পৰীক্ষা নিয়ন্ত্ৰকগৰাকীয়ে আহ্বান জনাইছে। পৰীক্ষাৰ ফলাফল সম্পৰ্কত অসম ৰাজ্যিক বিদ্যালয় পৰিষদে উপযুক্ত সময়ত জাননী জাৰি কৰিব বুলি পৰীক্ষা নিয়ন্ত্ৰক শ্ৰী দাসে আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ১১ ৰানত পৰাস্ত কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰণ কৰি দিয়া ২০৬ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰাজস্থানৰ হৈ যশস্বী জয়ছোৱালে সৰ্বাধিক ৪৯ আৰু ধ্ৰুৱ জুৰেলে ৪৭ ৰান কৰে।  ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ য'শ হেজেলউডে ৪টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে ৭০ ৰানৰ অনবদ্য বৰঙণি আগবঢ়ায়। দেৱদূত্ত পাড়িকলে ৫০ ৰান কৰে। ৰাজস্থান ৰয়েলছৰ হৈ সনদ্বীপ শৰ্মাই দুটা উইকেট দখল কৰে। য'শ হেজেলউডক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিডাম্বৰম ষ্টেডিয়ামত চেন্নাই ছুপাৰ কিংছ, ছান ৰাইজাৰ্ছ  হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০০০

জম্মু কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত আৰু পাকিস্তান যুযুধান ৰূপত থিয় দিছে আৰু যুদ্ধৰ সম্ভাৱনা প্ৰকাশ পাইছে।এই সন্দৰ্ভত বিভিন্ন বা বাতৰি গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে আলোকচিত্ৰ সহ প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। কালি অনুষ্ঠিত সৰ্বদলীয় বৈঠকত

সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চৰকাৰৰ পদক্ষেপক বিৰোধীয়ে সমৰ্থন জনাইছে। এই বাতৰিটো প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশদ্ৰোহিতাৰ অভিযোগত ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামক গ্ৰেপ্তাৰ কৰা হয়। এই বাতৰিটো প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে । ৰাজ্যত পঞ্চায়ত নিৰ্বাচিনৰ প্ৰচাৰ সভাৰ বিভিন্ন বাতৰি আজি প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে কৰিছে।ট্ৰেডিং কেলেংকাৰিৰ গোচৰত অভিযুক্ত চুমি বৰা আৰু বিশাল ফুকনক গুৱাহাটী উচ্চ ন্যায়ালয়ে জামিন প্ৰদান কৰিছে। এই বাতৰিটোও প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰায় ডেৰশ দুশ সন্ত্ৰাসবাদীয়ে ভাৰতত প্ৰৱেশৰ বাবে অপেক্ষা কৰি আছে বুলি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সদ্যঘোষিত সংযুক্ত লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত গুৱাহাটীৰ ৪২৮ সংখ্যক স্থান লাভ কৰিছে। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰক আইছিছ কাশ্মীৰ নামৰ সন্ত্ৰাসবাদি গোটটোৱে মৃত্যুৰ ভাবুকি দিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধুমুহাত বিস্তৰ ক্ষতি হয়। এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**যোৰহাটত পুনৰ এজন যুৱকক হত্যাৰ বলি হৈছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পি এম বিশ্বকৰ্মা আঁচনিৰ অধীনত অসমত লব কৰা প্ৰায় ৭ লাখ আবেদনৰ ১ লাখ পঞ্জীয়ন শৈছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

০০০০০০০

নগাঁৱৰ বিশিষ্ট মঞ্চ আৰু চলচ্চিত্ৰ অভিনেতা ৰাজেন শৰ্মাৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত দেহাৱসান ঘটে। ককাদেউতা নাতি আৰু হাতীকে ধৰি কেইবাখনো চলচ্চিত্ৰত সাৱলীল অভিনয় কৰা এই প্ৰবীণ অভিনেতাগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮২ বছৰ।

০০০০০০০

সকলোৰে বাবে জীৱনটো গোলাপৰ পাহিৰে সজোৱা বিচনাৰ দৰে নহয়। জীৱনত আহে বহু প্ৰত্যাহ্বান। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান জন্মগত আৰু আন কিছুমান আহে পৰৱৰ্তী কালত। এই প্ৰত্যাহ্বান নেওচিও কিদৰে সফলতাৰে জীৱন যাত্ৰাত আগুৱাব পাৰি, তাৰ কাহিনী লৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ২৭ এপ্ৰিল, দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত দুৰাৰোগ্য বুলি ভবা ৰোগৰ বিৰুদ্ধে যুদ্ধ কৰি আৰু শাৰীৰিক বাধাগ্ৰস্ততাকো নেওচি জীৱন যুদ্ধত জয়ী হোৱা কেইবাগৰাকীও লোকক পৰিচয় কৰাই দিয়া হ'ব। এই অনুষ্ঠানৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ ঠাই বিশেষে মজলীয়াৰ পৰা পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

সমাপ্ত